জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪১৪/২০২০**

<u>বাঘজানৰ ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগত টেলিফোনযোগে কথা পাতিলে মুখ্যমন্ত্ৰীয়ে</u>

# বাঘজান অঞ্চলত বসবাস কৰা প্ৰতিটো পৰিয়ালৰে নিৰাপত্তা নিশ্চিত কৰা আৰু ক্ষতিগ্ৰস্তসকলক উচিত ক্ষতিপূৰণ আদায় দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যৌথভাৱে সকলো পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

<u>কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয় আৰু বিশেষজ্ঞসকলৰ তৎপৰতাত অতি শীঘ্ৰে বাঘজানৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিব ঃ মুখ্যমন্ত্ৰী</u>

**অগ্নিকাণ্ডত অইল ইণ্ডিয়া লিমিটেডৰ দুগৰাকী কৰ্মচাৰীয়ে প্ৰাণ হেৰুওৱা ঘটনাত মুখ্যমন্ত্ৰীৰ শোকপ্ৰকাশ, কৰ্মচাৰী দুগৰাকীৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদানৰ লগতে তেওঁলোকৰ পৰিয়ালৰ একোগৰাকীকৈ সদস্যক সংস্থাপন প্ৰদানৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়ক মুখ্যমন্ত্ৰীৰ অনুৰোধ**

**বাঘজানৰ ঘটনাত কৰ্তব্যৰত অৱস্থাত থাকি প্ৰাণ হেৰুওৱা অইল ইণ্ডিয়া লিমিটেডৰ কৰ্মচাৰী দুৰ্লভ গগৈ আৰু তীখেশ্বৰ গোহাঁইৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশ**

**দিছপুৰ, ১০ জুন ঃ** বাঘজানৰ গেছ নিৰ্গমনস্থলীত সংঘটিত অগ্নিকাণ্ডৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি ঘটনাস্থলীৰ শেহতীয়া পৰিস্থিতি আৰু এই সন্দৰ্ভত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত সবিশেষ অৱগত কৰে। বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই ঘটনাত ক্ষতিগ্ৰস্ত ৰাইজলৈ প্ৰয়োজনীয় সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে কালি বাঘজানৰ ঘটনাৰ খবৰ লাভ কৰাৰ পাছতেই তেওঁ কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক টেলিফোনযোগে ঘটনা সন্দৰ্ভত অৱগত কৰাৰ লগতে বিয়লিৰ ভাগত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীগৰাকী, পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়া, অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষ আৰু ছিংগাপুৰৰ পৰা অহা বিশেষজ্ঞসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে পৰিস্থিতিৰ বিতং পৰ্যালোচনা কৰে। ঘটনাত ক্ষতিগ্ৰস্ত ৰাইজক সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ লগতে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি হ'ব বুলি পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। অসম চৰকাৰে তাৎক্ষণিকভাৱে ঘটনাস্থলীৰ কাষৰীয়া অঞ্চলৰ ৰাইজক আতংকিত পৰিৱেশৰ পৰা আঁতৰাই নিৰাপদ স্থানত আশ্ৰয় প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে কেইবাটাও আশ্ৰয় শিবিৰ মুকলি কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে তেওঁৰ নিৰ্দেশ অনুসৰি কালিয়েই ঘটনাস্থলীলৈ ৰাওনা হোৱা ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ইতিমধ্যে তিনিচুকীয়াত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীয়ে আজি জিলা প্ৰশাসন, আৰক্ষী মহাপৰিদৰ্শক, অইল ইণ্ডিয়া লিমিটেডৰ চি এম ডি, জ্যেষ্ঠ বিষয়াসকল আৰু স্থানীয় দল-সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হ'ব। বাঘজান অঞ্চলত বসবাস কৰা প্ৰতিটো পৰিয়ালৰে নিৰাপত্তা নিশ্চিত কৰা আৰু ক্ষতিগ্ৰস্তসকলক উচিত ক্ষতিপূৰণ আদায় দিয়াৰ বাবে চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যৌথভাৱে এইক্ষেত্ৰত সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰিব।

কালিৰ তুলনাত আজি অগ্নিকাণ্ডৰ প্ৰাবল্য ক্ৰমাৎ হ্ৰাস পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই জুই নিৰ্বাপন কৰিবলৈ সক্ষম হ'ব বুলি বিদেশৰ পৰা অহা বিশেষজ্ঞসকল আশাবাদী, কিন্তু তাৰবাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই গোটেই পৰিস্থিতি প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পেট্ৰ'লিয়াম মন্ত্ৰালয় আৰু বিশেষজ্ঞসকলে এই বিষয়ত গ্ৰহণ কৰা পদক্ষেপসমূহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আশাবাদী। বিশেষজ্ঞসকলৰ সহযোগত অইল ইণ্ডিয়া লিমিটেড, অ' এন জি চি সকলোৱে মিলি যুদ্ধকালীন ক্ষিপ্ৰতাৰে এই সমস্যা সমাধান কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰি তেওঁ কয় যে ঘটনা সন্দৰ্ভত তেওঁ কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতেও টেলিফোনযোগে আলোচনা কৰে আৰু দুৰ্গত ৰাইজৰ সুৰক্ষা আৰু উদ্ধাৰ অভিযানৰ বাবে প্ৰতিৰক্ষা বিভাগৰ তৰফৰ পৰা বায়ু সেনা তথা স্থল সেনাকো সক্ষম কৰি ৰখাৰ বাবে অনুৰোধ জনায়। মন্ত্ৰীদুগৰাকীয়ে এই সন্দৰ্ভত ৰাইজৰ সুৰক্ষাৰ বাবে আৱশ্যকীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক আশ্বাস দিয়ে। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী সোণোৱালে আজি ড'নাৰ মন্ত্ৰালয়ৰ দায়িত্বত থকা কেন্দ্ৰীয় (স্বতন্ত্ৰ) ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিং আৰু কেন্দ্ৰীয় ক্ৰীড়া ৰাজ্যমন্ত্ৰী (স্বতন্ত্ৰ) কিৰেন ৰিজিজুৰ সৈতেও টেলিফোনযোগে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানকো বাঘজানৰ পৰিস্থিতি সন্দৰ্ভত যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ ইতিমধ্যেই নিৰ্দেশ দিছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

দুৰ্ঘটনাৰ সময়ত তৈলখাদটোত কাম কৰি থকা অইল ইণ্ডিয়া লিমিটেডৰ সন্ধানহীন চাৰিগৰাকী কৰ্মচাৰীৰ ভিতৰৰ দুগৰাকীয়ে দুৰ্ভাগ্যজনকভাৱে প্ৰাণ হেৰুৱাবলগীয়া ঘটনাত গভীৰ শোক ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সৎ আৰু নিষ্ঠাৱান কৰ্মচাৰী দুগৰাকীয়ে ৰাইজৰ বৃহত্তৰ স্বাৰ্থত আত্মবলিদান দিলে। কৰ্মচাৰী দুগৰাকীৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদানৰ লগতে তেওঁলোকৰ পৰিয়ালৰ একোগৰাকীকৈ সদস্যক সংস্থাপন প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়ক আহ্বান জনায়।

কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ পদক্ষেপৰ ফলত অতি সোনকালে বাঘজানৰ এই পৰিস্থিতি নিয়ন্ত্ৰণাধীন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে। এই সংকটৰ সময়ত চৰকাৰ বাঘজানবাসীৰ কাষত আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকৰ সুৰক্ষা, সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে দুয়োখন চৰকাৰে আন্তৰিকতাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব।

**আনহাতে, বাঘজানৰ ঘটনাত কৰ্তব্যৰত অৱস্থাত থাকি প্ৰাণ হেৰুওৱা অইল ইণ্ডিয়া লিমিটেডৰ কৰ্মচাৰী দুৰ্লভ গগৈ আৰু তীখেশ্বৰ গোহাঁইৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে ইতিমধ্যে নিৰ্দেশ দিছে।**

**প্ৰঃকুঃবঃ**
**১০/০৬/২০২০**